# এলে বেলে MBA পাছ





▷▶ দেৱজিৎ ভূঞা



## নৱম অধ্যায়

আগৰ অধ্যায়ত আমি প্লেনিং বা পৰিকল্পনাৰ বিষয়ে কৈছিলো। পৰিকল্পনাৰ বিষয়ে এজন ছাত্ৰ বা ব্যক্তিৰ শিক্ষা আচলতে সৰুৰে পৰা ঘৰ তথা সমাজত আৰম্ভ হয়। সৰুৰে পৰা আমি দেখিছো গাঁৱত কেনেদৰে পৰিকল্পনা বা প্লেনিং কৰি ভাওনা, বিহু, দুৰ্গা পূজা ইত্যাদি সুচাৰুৰূপে পালন কৰা হয়। উদাহৰণস্বৰূপে ভাওনা এখনৰ কথাকে ধৰা হওক। ভাওনা এখন পাতিবৰ বাবে ভাওনা কমিটী এখন গঠন কৰিবৰ বাবে এক সভা বা মিটিং আহ্বান কৰা হয়। মিটিংখন আহ্বান কৰি মিটিংখন সুচাৰুৰূপে পৰিচালনা কৰা তথা এখন ভাওনা কমিটী গঠন কৰা প্ৰক্ৰিয়াৰ আৰম্ভণিৰেই আৰম্ভ হয় ভাওনাখন সুচাৰুৰূপে কৰাৰ পৰিকল্পনা। ভাওনা কমিটী গঠন কৰাৰ লগে লগে কমিটীৰ সভাপতি, সম্পাদক, কোষাধ্যক্ষ আৰু অন্যান্য সদস্যসকলে পৰৱৰ্তী কাৰ্যসমূহৰ বাবে পৰিকল্পনা আৰম্ভ কৰে। এই কমিটীখনক আমি উদ্যোগ বা প্ৰতিষ্ঠান এটাৰ কৰ্মকৰ্তাসকলৰ লগত ৰিজাব পাৰো। সভাপতিজন যদি প্ৰতিষ্ঠান এটাৰ চেয়াৰমেন হয় তেন্তে



আমি কল্পনা আৰু পৰিকল্পনাৰ মাজৰ পাৰ্থক্য বুজিব লাগিব। সকলো কল্পনাই কেতিয়াও পৰিকল্পনা নহয়। যেতিয়ালৈকে আমি আমাৰ কল্পনাবোৰ কাগজে-কলমে নতুবা কম্পিউটাৰত তুলি তাক প্ৰকৃত কাৰ্যক্ষেত্ৰলৈ লৈ নাযাওঁ তেতিয়ালৈ কল্পনা কেতিয়াও পৰিকল্পনা হ'ব নোৱাৰে।



সম্পাদকজন হ'ল তাৰ মেনেজিং ডিৰেক্টৰ, কোষাধ্যক্ষজন হ'ল ফাইনেন্স ডিৰেক্টৰ আৰু কাৰ্যকৰী কমিটীৰ সদস্যসকল হ'ল একো একোজন মেনেজাৰ। ভাওনা কমিটীয়ে পৰিকল্পনাৰ অংশ হিচাপে যেতিয়া ভাওনাখন মঞ্চস্থ কৰে, কোনখন নাট নিৰ্বাচন কৰা হ'ব, ক'ৰ পৰা কেনেকৈ দান-বৰঙণি সংগ্ৰহ কৰা হ'ব, ভাওনাত কোনটো পাৰ্ট কাক দিয়া হ'ব, কেতিয়া ৰিহাৰ্চেল কৰা হ'ব ইত্যাদি সকলো স্থিৰ কৰে। ইয়াৰ পাচত পৰিকল্পনামতে সকলোৱে নিজৰ নিজৰ কামত লাগি যায়। এদিন সুচাৰুৰূপে ভাওনাখন মঞ্চস্থ হৈ যায়। তাৰ পাচত হিচাপ-পত্ৰ দি এদিন ভাওনা কমিটী ভংগ কৰি দিয়া হয়। একেই কথা খাটে ৰঙালী বিহু উদ্‌যাপন বা দুৰ্গা পূজা উদ্‌যাপনৰ ক্ষেত্ৰতো। সেয়ে সৰুৰে পৰা বা ছাত্ৰ অৱস্থাৰ পৰাই যি ব্যক্তিয়ে এনেবোৰ কাম-কাজত ভাগ লয়, পৰিকল্পনা বা প্লেনিং সম্পৰ্কে সম্যক জ্ঞান তথা উপলব্ধি আয়ত্ত কৰিব পাৰে। সৰুতে আৰম্ভ হোৱা এই শিক্ষাই তেতিয়া গৈ মেনেজমেণ্ট স্কুলত পূৰ্ণতা লাভ কৰে আৰু এজন ভাল মেনেজাৰৰ সৃষ্টি হয়।

মেনেজমেণ্ট বুলি ক'লে যদিও আমাৰ বহুতৰে মনলৈ MBA, BBA, CAT, MAT, IIM ইত্যাদি শব্দবোৰ আহে আচলতে মেনেজমেণ্ট কোনো ঠেক গণ্ডীৰ ভিতৰত বন্দী শব্দ বা ব্যৱস্থা নহয়। Management is not only an education that is taught in management schools and used by business house. Management is a way of life, it is a part of culture, it is a part of society, part of government and nation to do every activity of life in better way. সেইবাবেই আমি কথাইপতি বা প্ৰায়ে time management, relationship management, event management, election management, school management, hospital management, kitchen management, sports management ইত্যাদি ব্যাপকভাৱে প্ৰয়োগ কৰো। ওপৰত উল্লেখ কৰা প্ৰতিটো মেনেজমেণ্টৰ ক্ষেত্ৰতে আৰম্ভণি হয় প্লেনিং বা পৰিকল্পনাৰ দ্বাৰাহে। সেয়া সৰুৰে পৰা দেখি অহা অনুষ্ঠানসমূহৰ জৰিয়তে first hand experience অৰ্জন কৰিলেহে মেনেজমেণ্টৰ এজন ছাত্ৰ ভাল মেনেজাৰ হ'ব পাৰেগৈ।


পৰিকল্পনাৰ কথা ক'বলৈ যাওঁতে সৰুতে পঢ়া এটা সাধুকথা মনত পৰিছে। এবাৰ এজন ভিক্ষা বৃত্তি লোৱা ব্ৰাহ্মণে ভিক্ষাত কিছু পিঠাগুড়ি পালে। ঘৰলৈ গৈ ব্ৰাহ্মণজনে পিঠাগুড়িখিনি এটা মাটিৰ কলহত ভৰাই বিছনাৰ ভৰি পথানত শিকিয়াত ওলোমাই থ'লে। তাৰ পাচত ব্ৰাহ্মণজনে বিছনাত শুই শুই কল্পনা কৰিবলৈ ধৰিলে— মই পিঠাগুড়িখিনিৰে পিঠা বনাই বজাৰত বেচি টকা এটা পাম। টকাটোৰে মই হাঁহ এযোৰ কিনি আনিম। হাঁহযোৰে কণী পৰা আৰম্ভ কৰিলে কণীবোৰৰ পৰা বহুতো পোৱালি হ'ব। সেইবোৰ বেচি মই সেই পইচাৰে কেইবাজনী গৰু কিনি আনিম। এদিন



গৰুবোৰৰ পৰা বহুতো গাখীৰ আৰু পোৱালি হ'ব। গাখীৰ আৰু গৰু বেচি মই চহৰত ডাঙৰ এখন গোলা লৈ ব্যৱসায় আৰম্ভ কৰিম। তাৰ পাচত মই এখন জাহাজ কিনি সদাগৰ হৈ বাণিজ্যলৈ যাম। বাণিজ্যৰ পৰা অসংখ্য ধন-সোণ লৈ আহি মই এটা ডাঙৰ প্ৰাসাদ বনাম। মোৰ প্ৰাসাদ দেখি আৰু মোৰ ধন-দৌলতৰ বিষয়ে শুনি ৰজাই মোলৈ তেওঁৰ জীয়েকক বিয়া দিব। মই বিয়াৰ পাচত ৰাজকুমাৰীৰ সৈতে সংসাৰ কৰোঁতে এদিন আমাৰ কাজিয়া হ'ব আৰু মই খঙতে বিছনাত টোপনিৰ ভাও ধৰি পৰি থাকিম। ৰাজকুমাৰীয়ে মোক মৰম কৰি বুজাবলৈ আহিব আৰু মই খঙতে তেওঁক গোৰ মাৰি দিম। এই বুলি ব্ৰাহ্মণজনে ভৰি দাঙি গোৰ মাৰি দিয়াত শিকিয়াত থকা মাটিৰ কলহটোত গোৰ লাগি কলহটো ভাঙি গোটেই পিঠাগুড়ি মজিয়াত পৰি নষ্ট হৈ গ'ল। ব্ৰাহ্মণৰ কল্পনা কল্পনাতে থাকিল। সেয়ে আমি কল্পনা আৰু পৰিকল্পনাৰ মাজৰ পাৰ্থক্য বুজিব লাগিব। সকলো কল্পনাই কেতিয়াও পৰিকল্পনা নহয়। যেতিয়ালৈকে আমি আমাৰ কল্পনাবোৰ কাগজে-কলমে নতুবা কম্পিউটাৰত তুলি তাক প্ৰকৃত কাৰ্যক্ষেত্ৰলৈ লৈ নাযাওঁ তেতিয়ালৈ কল্পনা কেতিয়াও পৰিকল্পনা হ'ব নোৱাৰে।

পৰিকল্পনা কেতিয়াও absolute হ'ব নোৱাৰে বা নহয়। প্লেনিং কৰামতে সদায়ে সকলো কাম নহয় বাবে প্ৰতি স্তৰতে পৰিকল্পনাৰ পৰ্যালোচনা কৰি তাত

**পৰীক্ষাত ভাল ফলাফল লাভ কৰিবৰ বাবে প্লেনিঙৰ প্ৰয়োজন। বিয়া এখন পাতিবৰ বাবে প্লেনিঙৰ প্ৰয়োজন, ঘৰ এটা বনাবৰ বাবে প্লেনিঙৰ প্ৰয়োজন, জন্মদিন পাতিবৰ বাবে প্লেনিঙৰ প্ৰয়োজন, চাকৰি এটা পাবৰ বাবে প্লেনিঙৰ প্ৰয়োজন, পাকঘৰটো ভালদৰে চলিবৰ বাবে প্লেনিঙৰ প্ৰয়োজন।**



প্ৰয়োজনীয় পৰিবৰ্তন আনিবলগা হয়। মানুহৰ জীৱনতো সকলো কথা পৰিকল্পনামতে সমাধা নহয়। সেয়ে আমাৰ অসমীয়াত কয়— 'ভবা কথা নহয় সিদ্ধি, বাটত আছে কণা বিধি'। অৰ্থাৎ ভবামতে সকলো কাম নহয় আৰু একেদৰে প্লেনিং কৰামতে সদায়ে এশ শতাংশ কাম নহয়। গতিকে পৰিকল্পনা কেতিয়াবা ব্যৰ্থ বা অবাটে গ'লেও নিৰাশ হোৱাৰ প্ৰয়োজন নাই। বৰং পৰিকল্পনাৰ re-custing কৰাহে দৰকাৰ।

১৮৭৯ চনৰ কথা। Procter and Gamble কোম্পানীৰ মূল বিক্ৰী প্ৰডাক্ট বা বস্তু আছিল মম। কিন্তু বহু পৰিকল্পনা আৰু ব্যৱস্থা গ্ৰহণ কৰাৰ পাচতো কোম্পানীৰ বিক্ৰী কমি গৈছিল। ইয়াৰ কাৰণ আছিল যে ইতিমধ্যে থমাছ আলভা এডিচনে লাইটৰ বাল্ব আৱিষ্কাৰ কৰিছিল আৰু বাল্বে লাহে লাহে মমৰ স্থান দখল কৰিছিল। মম মানুহে কেৱল অন্য কামৰ বাবে আৰু বিজুলী চাকি নথকা সময়তহে ব্যৱহাৰ কৰা আৰম্ভ কৰিছিল। কোম্পানীৰ ভৱিষ্যৎ ক্ৰমান্বয়ে অন্ধকাৰৰ ফাললৈ গৈ আছিল। এনে সময়তে বিধি যেন সুপ্ৰসন্ন হ'ল। এদিন এজন কৰ্মচাৰীয়ে দুপৰীয়া ভাত খাবলৈ যোৱাৰ সময়ত নিজৰ মেচিনটো বন্ধ কৰিবলৈ পাহৰি গ'ল। মেচিনত লৈ অহা কেঁচামালত বায়ুৰ কণিকা ভৰি পৰিল। কৰ্মচাৰীজনে বায়ুৰ কণিকা সোমোৱা কেঁচামালখিনি পেলাই দিয়াৰ পৰিৱৰ্তে তাক চাবোনলৈ পৰিবৰ্তন কৰাৰ কথা ভাবিলে। এইদৰে তৈয়াৰ কৰা চাবোনসমূহ পানীত ওপঙি থাকিবলৈ ল'লে আৰু এটা নতুন প্ৰডাক্ট Ivory soap কোম্পানীৰ বাবে জন্ম হ'ল, যিয়েই নেকি কোম্পানীটোক এক নতুন গতি প্ৰদান কৰিলে। সেই সময়ত পানীত ওপঙা চাবোন কিয় ইমান জনপ্ৰিয় আৰু কোম্পানীৰ hot selling item হৈ পৰিল? ইয়াৰ কাৰণ হ'ল যে কোম্পানীৰ ফেক্টৰী থকা Cincinnati নামৰ ঠাইত তেতিয়া মানুহে 'অ'হিঅ' নদীত গা ধুইছিল। ওপঙা চাবোন নদীত ডুব নগৈছিল আৰু ফলত ই নদীত হেৰাই নগৈছিল। সেয়ে আইভ'ৰি চাবোন প্ৰথমে অ'হিঅ'ত আৰু পাচত গোটেই দেশতে জনপ্ৰিয় হৈ উঠিছিল আৰু Procter and Gamble কোম্পানীক নতুন জীৱন, নতুন গতি প্ৰদান কৰিছিল। সেয়ে কেতিয়াবা পৰিকল্পনা কৰামতে কাম নহ'লেও বা দুৰ্যোগ আহিলে আমি যদি নতুন innovation আৰু creativityৰ দ্বাৰা পৰিকল্পনাৰ গতি বা পথ সলনি কৰি ল'ব পাৰোঁ, কৃতকাৰ্য নোহোৱাৰ কোনো কাৰণ নাই।

কেতিয়াবা অৱশ্যে সম্পূৰ্ণ পৰিকল্পনাৰ পাচতো কাম এটা সমাধান নহ'ব পাৰে বা কামটোত কৃতকাৰ্য নহ'বও পাৰে। সেয়ে হয়তো আমি কওঁ— 'ফলাফল ফলদাতা বিভুৰ হাতত' বা 'Man proposes, God disposes'। এখন জে'লত এগৰাকী ধুনীয়া মহিলাই আজীৱন কাৰাবাস খাতি আছিল। জে'লত থাকি আমনি লগা বাবে জে'লৰ পৰা পলোৱাৰ কথা ভাবি মহিলাগৰাকীয়ে পলোৱাৰ বাবে পৰিকল্পনা কৰিলে। সেই জে'লত বহুদিন থকা বাবে জে'লৰ এজন কৰ্মচাৰীৰ লগত তেওঁৰ ভাল বন্ধুত্ব গঢ় লৈ উঠিছিল। অন্য কামৰ লগতে কৰ্মচাৰীজনৰ কাম আছিল জে'লত কোনো কয়দী বা মানুহৰ মৃত্যু হ'ল মৃতদেহটো মৰ্গৰ পৰা লৈ কফিনত ভৰাই ওচৰৰ কবৰস্থানত কবৰ দিয়া। জে'লত কোনো কয়দী বা ব্যক্তিৰ মৃত্যু হ'লে এটা ঘণ্টা বজোৱা হয় আৰু কৰ্মচাৰীজনে কফিন এটা লৈ মৰ্গৰ পৰা মৃতদেহটো কফিনত ভৰাই ট্ৰলী এখনেৰে জে'লৰ অফিচৰ সন্মুখলৈ লৈ যায়। তাত ট্ৰলীখন ৰাখি মৃতকক কবৰস্থ কৰিবৰ বাবে প্ৰয়োজনীয় প্ৰ-পত্ৰ পূৰণ কৰি কবৰস্থানলৈ লৈ যায় আৰু তাত আনৰ লগ লাগি কবৰ দিয়ে। প্ৰ-পত্ৰ পূৰণ নকৰালৈকে কফিনৰ ঢাকনিখন এনেয়ে লগাই ৰখা হয় আৰু প্ৰ-পত্ৰ পূৰণ কৰাৰ পাচতহে কৰ্মচাৰীজনে গজাল মাৰি কফিনটো সম্পূৰ্ণ বন্ধ কৰি দিয়ে। পলোৱাৰ পৰিকল্পনা হিচাপে মহিলাগৰাকী আৰু কৰ্মচাৰীজনে মিলি সিদ্ধান্ত কৰিলে যে ইয়াৰ পাচত যেতিয়াই কোনো ব্যক্তিৰ মৃত্যু হ'ব তেতিয়া কৰ্মচাৰীজনে কফিন অফিচৰ ওচৰত ৰাখোতেই মহিলাগৰাকী মনে মনে আহি কফিনত মৃতদেহৰ লগত সোমাই যাব। কবৰ দি অহাৰ পাচত যেতিয়া সকলো মানুহ আঁতৰি যাব তেতিয়া মনে মনে গৈ কৰ্মচাৰীজনে পুনৰ কবৰৰ মাটি উঠাই দি কফিনটো খুলি দিব আৰু মহিলাগৰাকী ওলাই আহি পলাই যোৱাৰ পাচত পুনৰ কফিনটো পুতি দিব। এদিন সন্ধিয়া মহিলাগৰাকীয়ে জে'লৰ মানুহ মৰিলে বজোৱা ঘণ্টাটো শুনিলে। লগে লগে মহিলাগৰাকীয়ে মনে মনে জে'লৰ নিজৰ কোঠাৰ পৰা ওলাই আহিল আৰু অফিচৰ যি ঠাইত কফিন ৰখা ট্ৰলীখন ৰখোৱা হয় তাৰ ওচৰ পালেগৈ। তৎক্ষণাত কফিনৰ ঢাকনিখন খুলি মৃতদেহৰ ওচৰত শুই পৰিল। তেনেতে মানুহ এজনৰ ভৰিৰ শব্দ শুনিলে। মানুহজনে অফিচৰ পৰা আহি কফিনৰ ওপৰৰ গজালকেইটা মাৰি কফিন থকা ট্ৰলীখন লৈ গুচি গ'ল কবৰস্থানৰ ফালে। জে'লৰ পৰা ওলাব পাৰিব বুলি মহিলাগৰাকীৰ আনন্দ লাগিল। জে'লৰ বাহিৰত কবৰস্থানত মহিলাগৰাকীয়ে মানুহৰ শব্দ শুনিলে আৰু গম পালে যে কেইজনমান মানুহে লগ লাগি কফিনটো কবৰত নমাই দিছে আৰু তাৰ পাচত লাহে লাহে কবৰৰ ওপৰত মাটি জাপি দি আছে। মানুহৰ শব্দ নোহোৱা হোৱাত মহিলাগৰাকীয়ে অকণমান পোহৰ চোৱাৰ লগতে মৃত মানুহজননো কোন তাক চাবৰ বাবে নিজৰ হাতত লৈ যোৱা সৰু টৰ্চ লাইটো জ্বলাই দিলে। টৰ্চৰ পোহৰত কফিনৰ ভিতৰত মৃতদেহটো দেখি মহিলাগৰাকী থিতাতে মুৰ্ছা গ'ল। কাৰণ কবৰৰ ভিতৰত মৃতদেহটো আছিল মহিলাগৰাকীৰ চিনাকি কৰ্মচাৰীজনৰ, যিয়ে নেকি মহিলাগৰাকীক কফিনৰ পৰা উলিয়াই নিয়াৰ কথা আছিল। মহিলাগৰাকীয়ে পৰিকল্পনামতেই সকলো কাম কৰিছিল, কিন্তু বিধিৰ বিধান আছিল অন্য।

এতিয়া আকৌ পুনৰ প্লেনিঙৰ কথালৈ আহো। আমাৰ জীৱনৰ প্ৰতিটো স্তৰতে আমি কৃতকাৰ্যতা লাভ কৰিবলৈ পৰিকল্পনাৰ সহায় ল'ব লাগে। পৰীক্ষাত ভাল ফলাফল লাভ কৰিবৰ বাবে প্লেনিঙৰ প্ৰয়োজন। বিয়া এখন পাতিবৰ বাবে প্লেনিঙৰ প্ৰয়োজন, ঘৰ এটা বনাবৰ বাবে প্লেনিঙৰ প্ৰয়োজন, জন্মদিন পাতিবৰ বাবে প্লেনিঙৰ প্ৰয়োজন, চাকৰি এটা পাবৰ বাবে প্লেনিঙৰ প্ৰয়োজন, পাকঘৰটো ভালদৰে চলিবৰ বাবে প্লেনিঙৰ প্ৰয়োজন। সেয়ে ছাত্ৰ জীৱনৰ পৰাই প্লেনিং সম্পৰ্কে সম্যক ধাৰণা উপলব্ধি কৰি তাক ভালদৰে প্ৰয়োগ কৰিব পৰা জ্ঞান আহৰণ কৰিলেহে এজন মেনেজমেণ্টৰ শিক্ষাৰ্থী ভৱিষ্যতে ভাল মেনেজাৰ বা পৰিচালক হ'ব পাৰে।■